# 2014

# ASSAMESE

## ( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) 'কেলি গোপাল' নাটখনক আৰু কি নামেৰে জনা যায়?

(খ) 'মোতিম' মানে কি?

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ মূল আধাৰ গ্ৰন্থখনৰ নাম কি?

(ঘ) নল কুবেৰ কাৰ পুতেক আছিল?

(ঙ) গোপালদেৱৰ আন এটা নাম কি?

(চ) অৰ্জুনে সুভদ্ৰাক ক'ৰ পৰা হৰণ কৰিছিল?

(ছ) 'খৰমান' মানে কি?

২ । *এটা* বা *দুটা* বাক্যত উত্তৰ লিখা : ২×৪=৮

(ক) বেদনিধিয়ে দূত হৈ কৃষ্ণৰ ওচৰলৈ কিয় গৈছিল ?

(খ) শিশু কৃষ্ণই যমলাৰ্জুন গছ দুজোপা কেনেকৈ ভাঙিছিল আৰু তাৰ ফলত কি হৈছিল ?

(গ) বসুমতী ব্ৰহ্মাৰ ওচৰলৈ কিয় গৈছিল ?

(ঘ) 'অঙ্কাৱলী' আৰু 'অংকমালা' গ্ৰন্থ দুখনি কোন দুগৰাকী সাহিত্যিকৰ সম্পাদনা ?

৩ । প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) পৰম পুৰুষ কেশৱ বিনে
বিফল জনম মোই ।
মিলল মৰণ কৃষ্ণ চৰণ
দৰশন নাই হোই ॥

(খ) আহে প্ৰাণপ্ৰিয়ে কি নিমিত্তে ক্ৰন্দন কৰৈছ, হামু বিদ্যমানে থাকিতে তোহাক কোন চিন্তা, কাহেক ভয় থিক ।

(গ) শ্ৰীকৃষ্ণক আদেশ সুনিয়েঃ বাৰম্বৰ প্ৰদক্ষিণ কৰিয়ে; দণ্ডৱতে পৰণাম কয়কহোঁ আপুন থানে সত্বৰ চলি গেল ।

(ঘ) সাধিব দেৱক কাৰ্য্য ওহি বুলি ঋষি ।
কংসৰ সভাত আসি মিলিলা হৰিষি ॥
ৰাজাক সন্মুখি হসি নাৰদ বোল ।
কৰু সব অব নৰ হৰি হৰি বোল ॥

(ঙ) হেৰিয়ে বয়ন চান্দ ৰবি লাজ ।
নয়নক পেখি কমলজল মাজ ॥





৪ । যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) অংকীয়া নাট আৰু সংস্কৃত নাটকৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ বিষয়ে আলোচনা কৰা ।

(খ) শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটত নাট্যকাৰৰ মৌলিকতা কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা ।

(গ) মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' নাটত ঈশ্বৰৰ মহিমা কি ৰূপত প্ৰকাশিত হৈছে, আলোচনা কৰা ।

(ঘ) গোপালদেৱৰ 'জন্মযাত্ৰা' নাটত সামাজিক লোকাচাৰৰ নিদৰ্শন কেনেধৰণে পোৱা যায়, দেখুওৱা ।

(ঙ) শ্ৰীৰাম আতাৰ 'সুভদ্ৰা হৰণ' নাটৰ সংলাপ-সন্দৰ্ভত এটি বিশ্লেষণ আগবঢ়োৱা ।

(চ) শঙ্কৰোত্তৰ যুগত নাট ৰচনাৰ মান কেনেদৰে অৱনমিত হ'বলৈ ধৰিছিল সেই বিষয়ে উদাহৰণসহ এটি বিশ্লেষণ আগবঢ়োৱা ।

(ছ) প্ৰাচীন অসমীয়া নাট্যানুষ্ঠান ওজাপালি আৰু পুতলানাচৰ পৰা অঙ্কীয়া নাটসমূহে কি কি উপাদান গ্ৰহণ কৰিছে, খৰচি মাৰি আলোচনা কৰা ।

★★★